THE HUNGER PROJECT

# অসমৰ পঞ্চায়তীৰাজ ব্যৱস্থা

## কি ? কেনেকৈ ?




**গ্ৰাম্য বিকাশ মঞ্চ**

নলবাৰী ঃ অসম

# অসমৰ পঞ্চায়তীৰাজ ব্যৱস্থা

*(দ্যা হাঙ্গাৰ প্ৰজেক্টৰ সহযোগত গ্ৰাম্য বিকাশ মঞ্চৰ দ্বাৰা ৰূপায়িত*
*'পঞ্চায়তৰ নিৰ্বাচিত মহিলা প্ৰতিনিধিৰ*
*সৱলীকৰণ প্ৰকল্প'ৰ অধীনত প্ৰকাশিত সমল হাতপুথি)*



সম্পাদনা উপদেষ্টা ঃ
ধনেশ্বৰ বৈশ্য, জ্যেষ্ঠ প্ৰৱক্তা,
ৰাজনীতি বিজ্ঞান বিভাগ,
বৰভাগ কলেজ, কালাগ, নলবাৰী।

সম্পাদনা ঃ
প্ৰদীপ মহন্ত, কাৰ্যসূচী প্ৰৱন্ধক,
গ্ৰাম্য বিকাশ মঞ্চ, নলবাৰী (অসম)।

**গ্ৰাম্য বিকাশ মঞ্চ**

**মুখ্য কাৰ্যালয় ঃ ১ নং বৰধনৰা**
**ডাক- দক্ষিণ গাঁও, নলবাৰী (অসম), পিন- ৭৮১৩৫০**

**ASOMAR PANCHAYATIRAJ BYABASTHA** : *A hand book on Panchayatiraj system of Assam, edited by Pradip Mahanta, Programm manager G.V.M. and published by Development Communication Cell, Gramya Vikash Mancha, Nalbari (Assam), Pin- 781350.*

---

প্ৰকাশক ঃ

ডেভলপ্‌মেণ্ট কমিউনিকেচন চেল,
গ্ৰাম্য বিকাশ মঞ্চ।

© প্ৰকাশক

প্ৰথম প্ৰকাশ ঃ

২০০৮ চন।

বেটুপাত ঃ

প্ৰদীপ মহন্ত
অমৰ তালুকদাৰ

মুদ্ৰণ ঃ

**ব্ৰাইট অফচেট প্ৰেছ,**
হাজো ৰোড, নলবাৰী।
ফোন নং ঃ ৯৪৩৫০-২৭৪৬৩

*(কেৱল সীমিত ব্যক্তিগত বিতৰণৰ বাবে)*

**ACKNOWLEDGEMENT**

The Hunger Project (THP) New Delhi has supported the project and this publication. We are thankful to Ms. Bhaswati Das, Ms. Rimi Tadoo. Programme Officer, THP and All the office staff of THP, New Delhi.

# আগকথা

এটা সময় আছিল পঞ্চায়ত বুলিলে মানুহে যথেষ্ট শ্ৰদ্ধা কৰিছিল। পঞ্চায়ত প্ৰক্ৰিয়াত জড়িত হৈ সমাজ সেৱা কৰাটো গৌৰৱৰ বিষয় বুলি ধাৰণা কৰিছিল, জড়িত হ'ব পাৰিলে নিজকে ধন্য মানিছিল। পঞ্চায়ত আছিল গাৱৰ দুখীয়া, নিচলা, কৃষক শ্ৰমিকৰ প্ৰাণৰ সমাজ, যিয়ে সমাজখনৰ, গাঁওখনৰ প্ৰকৃতাৰ্থত উন্নয়ন তথা নিয়ন্ত্ৰণৰ প্ৰক্ৰিয়াক গতিশক্তি প্ৰদান কৰি সৰ্বহাৰাৰ উন্নয়নৰ লগতে সমাজৰ প্ৰকৃত পৰিবৰ্তনৰ সপোনক বাস্তৱ ৰূপ দিয়াৰ দায়িত্ব পালন কৰিছিল। বিকেন্দ্ৰীকৃত ব্যৱস্থাৰে গ্ৰাম্যাঞ্চলৰ জনগণক উন্নয়ন প্ৰক্ৰিয়াত জড়িতকৰণৰ এক শক্তিশালী মাধ্যম হিচাপে জনগণৰ শ্ৰদ্ধা, সমাদৰ আৰু সহযোগ আদায় কৰিবলৈ সক্ষম হৈছিল পঞ্চায়ত ব্যৱস্থাই। সময় সলনি হ'ল একেই পঞ্চায়ত, আজিৰ অৱস্থাটো চাওকচোন? সমাজত শিক্ষিতৰ হাৰ বৃদ্ধি হ'ল, আৰ্থিক অৱস্থাৰো পৰিবৰ্তন হ'ল যদিওবা একাংশৰ অৱস্থা অপৰিবৰ্তিত হৈয়ে ৰ'ল। আজিৰ পঞ্চায়তৰ ক্ষমতা আচলতে কাৰ হাতত? পঞ্চায়তৰ প্ৰকৃত অৰ্থ বাৰু ক'ত হেৰাল? পঞ্চায়ত ব্যৱস্থাৰ পৰা জনগণ বাৰু কিয় আঁতৰি গ'ল? পঞ্চায়ত ব্যৱস্থাই বাৰু কাক উন্নতি কৰিছে? কাৰ অৱস্থা শক্তিশালী কৰিছে? কাৰ স্বাৰ্থ পূৰণ কৰিছে? সময়ৰ এনে অজস্ৰ প্ৰশ্ন জটিল ভাৱে ফঁহিয়াই চোৱাৰ অতীৱ প্ৰয়োজন হৈছে, কিয়নো গান্ধীজীয়ে সপোন দেখা ৰামৰাজ্য গ্ৰাম্য স্বৰাজৰ বাবে বৰ্তমানৰ ভাৰতবৰ্ষত পঞ্চায়ত ব্যৱস্থা গণকেন্দ্ৰীক ৰূপ লৈ 'প্ৰকৃত পঞ্চায়ত' হিচাপে কাৰ্যক্ষম হবই লাগিব আৰু সেয়াই গান্ধীজীৰ সপোনৰ ভাৰতবৰ্ষৰ বাস্তৱ ৰূপ দিয়াৰ প্ৰাথমিক আৰু প্ৰধান চৰ্ত। কিন্তু কোনে চিন্তা কৰিব? পুঁজিবাদী বিশ্বায়নৰ প্ৰভাৱত দিক্‌বিদিক্ হেৰুৱাই সৰ্বহাৰা হোৱা

সকলে যে ভোগবাদী বিলাসত মত্ত হৈ তথাকথিত সভ্যতাৰ উচ্চশিখৰত আৰোহন কৰাৰ মানসেৰে সকলো সামাজিক ব্যৱস্থা নিজৰ হাতৰ মুঠিত আৱদ্ধ কৰি অৰ্থ আহৰণৰ প্ৰতিযোগিতাত নমা প্ৰতিযোগীসকলে....? এই মুহূৰ্তত মাতৃসকলৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। বিশ্বজনীন মাতৃস্নেহেৰে বিভূষিতা মহিলা সকলেই সমাজৰ এই জটিল মুহূৰ্তত সমাজ পৰিবৰ্তনৰ দায়িত্ব কান্ধ পাতি লব লাগিব, সমাজক প্ৰকৃত পথত আগুৱাই নিয়াৰ বাবে সংকল্প লৈ আগুৱাই আহিব লাগিব, ধৰ্ম, বৰ্ণ, অৰ্থ, সম্পাদৰে মানুহক নুজুখি মহান মানৱীয় প্ৰমূল্য শক্তিশালী কৰিব লাগিব, জীৱিকাৰে নহয় জীৱনৰে মানুহক চিনাক্তকৰণৰ মানসিকতা সৃষ্টি কৰিব লাগিব। মহিলা সকলৰ বাবে এয়া সহজ, কাৰণ তেওঁলোক যে মাতৃস্নেহেৰে বিভূষিতা। পঞ্চায়ত প্ৰক্ৰিয়াত জড়িত হোৱা মহিলা প্ৰতিনিধি সকলক তেনে দায়িত্ব লৈ প্ৰকৃতাৰ্থত সমাজ পৰিবৰ্তনৰ যাত্ৰা আৰম্ভ কৰিব পৰাকৈ তথা দায়িত্ব কান্ধ পাতি লব পৰাকৈ সক্ষমতা বৃদ্ধিৰ প্ৰয়াসেৰে এই পুস্তিকাখনি প্ৰকাশ কৰা হৈছে। তেনে লক্ষ্যতে উপনীত হ'বলৈ সমাজৰ সকলোৰে সক্ৰিয় সহযোগ প্ৰয়োজন।

আহক, পঞ্চায়ত ব্যৱস্থা শক্তিশালী কৰো, প্ৰকৃত পঞ্চায়ত ব্যৱস্থাৰে সমাজ পৰিবৰ্তনৰ এক যাত্ৰা আৰম্ভ কৰো, যিয়ে প্ৰতিখন গাঁৱতে এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ গঢ়িব পাৰে..........। তাৰেই কামনাৰে—

শ্ৰীপৃথ্বিভূষণ ডেকা
সভাপতি
গ্ৰাম্য বিকাশ মঞ্চ।

## পঞ্চায়ত কি ?

- পঞ্চায়ত হ'ল গাঁৱৰ জনসাধাৰণৰ বাবে প্ৰয়োজনীয় আৰু আটাইতকৈ ওচৰত পোৱা ক্ষুদ্ৰ চৰকাৰ। জাতিৰ পিতা মহাত্মা গান্ধীয়ে ভাৰতবৰ্ষক উন্নতি কৰিবলৈ হ'লে গাঁও সমূহ উন্নত কৰিবলৈ কৈছিল আৰু ইয়াৰ বাবে পঞ্চায়ত ব্যৱস্থাৰ পোষকতা কৰিছিল।
- ১৯৯৪ চনৰ "অসম পঞ্চায়তীৰাজ আইন" অনুসৰি ৰাজ্যিক চৰকাৰে জাননী যোগে কোনো এখন গাঁও, একাধিক গাঁও, অৰণ্য গাওঁ, চাহ বাগিচা অঞ্চল, ৰাজহ গাঁৱৰ অন্তৰ্ভূক্ত ক্ষুদ্ৰ গাঁও নাইবা আন কোনো অঞ্চলক এখন গাঁও পঞ্চায়ত বুলি ঘোষণা কৰিব পাৰে। গাঁও পঞ্চায়ত গঠন কৰোতে ইয়াৰ এলেকাৰ ভিতৰত ৬,০০০ৰ পৰা ১০,০০০ লৈ জনসংখ্যা থাকিব লাগিব। গাঁও পঞ্চায়ত বিভিন্ন শ্ৰেণীৰ সদস্যৰে গঠিত হ'ব।
- প্ৰথমতে, গাঁও পঞ্চায়ত এলেকাক ১০ টা সমষ্টিত ভাগ কৰি প্ৰতি সমষ্টিৰ পৰা ভোটাৰ সকলে এজনকৈ সদস্য বা সদস্যাক নিৰ্বাচিত কৰিব।
- আনহাতে প্ৰত্যেক উন্নয়ন খণ্ডৰ এলেকাত একোখন আঞ্চলিক পঞ্চায়ত আৰু জিলা ভিত্তিত একোখন জিলা পৰিষদ গঠন কৰা হয়।

## পঞ্চায়ত ব্যৱস্থা কেইখলপীয়া ?

- "অসম পঞ্চায়ত আইন, ১৯৯৪" মতে পঞ্চায়ত ব্যৱস্থা তিনিখলপীয়া।

  ক) গাঁও পঞ্চায়ত

  খ) আঞ্চলিক পঞ্চায়ত

  গ) জিলা পৰিষদ।

## পঞ্চায়ত নিৰ্বাচনত কি কি পদৰ কাৰণে নিৰ্বাচন অনুষ্ঠিত হ'ব পাৰে ?

- ক) গাঁও পঞ্চায়ত— ৱাৰ্ড সদস্যা/ সদস্য, সভানেত্ৰী/ সভাপতি

  **খ) আঞ্চলিক পঞ্চায়ত — সদস্যা / সদস্য (কাউন্সিলৰ)।**

  **গ) জিলা পৰিষদ— সদস্যা / সদস্য।**

## পঞ্চায়ত নিৰ্বাচনত থকা আৰক্ষণৰ ব্যৱস্থা (সংৰক্ষিত আসন) কেনে ধৰণৰ ?

- ভাৰতৰ সংবিধানৰ ৭৩ তম্ সংশোধন অনুসৰি পঞ্চায়ত নিৰ্বাচনত প্ৰতিটো খলপতে তিনি ভাগৰ এক অংশ (৩৩%) আসন বাধ্যতামূলক ভাৱে মহিলাৰ কাৰণে আৰক্ষণ (সংৰক্ষিত) হ'ব। ইয়াৰে সভাপতি বা অধ্যক্ষৰ আসনো এক-তৃতীয়াংশ মহিলাৰ বাবে সংৰক্ষিত থাকিব।
- এই আসনত কোনো পুৰুষ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰে।
- অসংৰক্ষিত আসনত পুৰুষ মহিলা উভয়ে প্ৰতিদন্দ্বিতা কৰিব পাৰে।
- কোনো পঞ্চায়ত এলেকাত অনুসূচিত জাতি আৰু জনজাতিৰ লোক থাকিলে তেওঁলোকৰ বাবে বিশেষভাৱে আসন সংৰক্ষিত কৰা হয়।

## ভোটাৰ তালিকা কি ? ভোট দাতা কোন ?

- ১৮ বছৰৰ ওপৰৰ প্ৰতিজন ব্যক্তিকে ভোটদাতা বুলি কোৱা হয়। সকলো গাঁৱতে ভোটাধিকাৰ থকা ব্যক্তিসকলৰ এখন তালিকা প্ৰস্তুত কৰা হয়, যাক আমি ভোটাৰ তালিকা বুলি কওঁ। সাধাৰণতে প্ৰতিটো নিৰ্বাচনৰ আগতে ভোটাৰ তালিকা পৰীক্ষা নিৰীক্ষা কৰা আৰু তাত নতুন নাম অন্তৰ্ভূক্ত কৰা আদি কাম কৰা হয়। নিৰ্বাচনী নীতি-নিয়ম অনুসৰি সেইজন ব্যক্তিয়েহে ভোট দিব পাৰিব যাৰ নাম ভোটাৰ তালিকাত থাকিব। এজন ব্যক্তিৰ নাম এখনতকৈ অধিক গাঁও পঞ্চায়তৰ ভোটাৰ তালিকাত থাকিব নোৱাৰিব।
- পঞ্চায়ত নিৰ্বাচনৰ ভোটাৰ তালিকা বিধানসভা নিৰ্বাচনৰ ভোটাৰ তালিকাৰ আধাৰত প্ৰস্তুত কৰা হয়।

## পঞ্চায়ত নিৰ্বাচনত সকলোৱে প্ৰতিদন্দ্বিতা কৰিব পাৰেনে ? প্ৰাৰ্থী হোৱাৰ অৰ্হতা কি ?

- নিৰ্দিষ্ট পঞ্চায়তৰ এলেকাৰ ভোটাৰ তালিকাত নাম থকা ২১ বছৰৰ ওপৰৰ সকলো ব্যক্তিয়ে পঞ্চায়ত নিৰ্বাচনত প্ৰতিদন্দ্বিতা কৰিব পাৰে।
- হত্যাৰ গোচৰত অভিযুক্ত আৰু পগলা ব্যক্তিয়ে ইয়াত প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰে।
- পঞ্চায়তত প্ৰতিদন্দ্বিতা কৰিবলৈ হ'লে কোনো শিক্ষাগত অৰ্হতাৰ প্ৰয়োজন নাই।

## মনোনয়ন পত্ৰ কি ? ক'ত পোৱা যায় ?

- পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজ্যিক নিৰ্বাচনী আয়োগে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ ৩০ দিন আগতে নিৰ্বাচনৰ সূচী সম্পৰ্কে ঘোষণা কৰে।
- জিলা উপায়ুক্ত বা মহকুমাধিপতিয়ে সকলো আঞ্চলিক ভাষাতে সংশ্লিষ্ট গাঁও পঞ্চায়ত কাৰ্যালয়, উন্নয়নখণ্ড কাৰ্যালয়, মহকুমাধিপতিৰ কাৰ্যালয়, উপায়ুক্তৰ কাৰ্যালয় আদিৰ জৰিয়তে ওপৰোক্ত কাৰ্যালয় বা অন্যান্য ৰাজহুৱা স্থানত আৰি থব লাগিব।
- জাননী জাৰি হোৱাৰ ৭ দিনলৈকে মনোনয়ন পত্ৰ দাখিল কৰিব পাৰি। অৱশ্যে ৰাজ্যিক নিৰ্বাচনী আয়োগে মনোনয়ন পত্ৰ দাখিলৰ বাবে নিৰ্বাচিত দিনো ঠিক কৰিব পাৰে।
- মনোনয়ন পত্ৰ সমূহ জমা হোৱাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছত দাখিলৰ অন্তিম তাৰিখৰ ৩ দিনৰ ভিতৰত এইবোৰ পৰীক্ষা কৰিব লাগিব।
- মনোনয়ন পত্ৰ পৰীক্ষা কৰাৰ পিছত নিৰ্বাচনলৈ ১৫ দিন থকাৰ পূৰ্বে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰি।

## মনোনয়ন পত্ৰ কোনে কি দৰে দাখিল কৰিব পাৰে ?

- মনোনয়ন পত্ৰ প্ৰাৰ্থীয়ে নিজে, বা তেওঁৰ প্ৰস্তাৱকে দাখিল কৰিব পাৰে। প্ৰ-পত্ৰত কোনো ভূল থাকি যাব পাৰে বা অধিক তথ্যৰ প্ৰয়োজন হ'ব পাৰে বাবে পৰাপক্ষত প্ৰাৰ্থীয়ে নিজে মনোনয়ন পত্ৰ দাখিল কৰিব লাগে।
- **প্ৰস্তাৱক, সমৰ্থক ঃ** যি এলেকা বা পঞ্চায়তৰ পৰা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব বিচাৰে প্ৰস্তাৱক বা সমৰ্থক সেই এলেকাৰ ভোটৰ তালিকাত নাম থকা হ'ব লাগিব।
- মনোনয়ন পত্ৰত দুয়োৰে হস্তাক্ষৰৰ উপৰিও সম্পূৰ্ণ নাম, ঠিকনা, ভোটাৰ তালিকা, ক্ৰমিক নং স্পষ্টভাৱে লিখা থাকিব লাগিব।

  অৰ্থাৎ গাঁও পঞ্চায়তৰ সভাপতি পদত নিৰ্বাচন খেলিব বিচৰা প্ৰাৰ্থীজনৰ উপৰিও প্ৰস্তাৱক বা সমৰ্থক উভয়ৰে নাম সেই পঞ্চায়তৰ অন্তৰ্গত যিকোনো এখন গাওঁৰ ভোটাৰ তালিকাত থাকিব লাগিব।

- যি সমষ্টিৰ পৰা কোনো ব্যক্তিয়ে আন এজন ব্যক্তিক প্ৰাৰ্থী হিচাপে প্ৰস্তাৱ কৰিছে তেওঁ সেই সমষ্টিৰ পৰা একেটা পদত থিয় হ'ব নোৱাৰে, এনে হ'লে উভয়ৰে মনোনয়ন পত্ৰ নাকচ হ'ব।

## এজন ব্যক্তিয়ে কেইটা পদৰ বাবে নিৰ্বাচন খেলিব পাৰে?

- কোনো ব্যক্তিয়ে এটা পদৰ কাৰণে একেটা স্থানৰ পৰাহে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব পাৰিব। অৰ্থাৎ গাঁও পঞ্চায়তৰ সভাপতি হিচাপে দুটা সমষ্টি বা গাঁও পঞ্চায়তত প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰে নিৰ্দিষ্ট ভোটাৰ তালিকাত নাম থকা এটা ঠাইতহে পাৰে। অৱশ্যে এটাতকৈ একাধিক পদত যেনে- গাঁও পঞ্চায়তৰ সদস্য/সদস্যা, সভাপতি/ সভানেত্ৰী, আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদৰ সদস্য/সদস্যা এই আটাইকেইটা পদতে প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে যদিওঁ একাধিক পদত জয়ী হ'লে এটাতকৈ অধিক পদত থাকিব নোৱাৰিব।

## আমানতৰ ধন কি?

- নিৰ্বাচনত প্ৰতিদন্দ্বিতা কৰিবলৈ হ'লে প্ৰাৰ্থীসকলে প্ৰতিদ্বন্দ্বিতা কৰিব বিচৰা পদৰ মনোনয়ন পত্ৰৰ সৈতে এটা নিৰ্দিষ্ট পৰিমাণৰ ধন জমা দিব লাগে, এয়েই আমানতৰ ধন। এই ধন জমা কৰি প্ৰাৰ্থীয়ে ৰচিদ সংগ্ৰহ কৰিব লাগে।
- গাঁও পঞ্চায়তৰ সদস্য/সদস্যাৰ পদত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সাধাৰণ শ্ৰেণীৰ প্ৰাৰ্থীৰ আমানতৰ ধন ৫০ টকা। অনুসূচীত জাতি, জনজাতিৰ ২৫ টকা।
- গাঁও পঞ্চায়তৰ সভাপতি / সভানেত্ৰী, আঞ্চলিক পঞ্চায়তৰ সদস্য / সদস্যা, জিলা পৰিষদৰ সদস্য / সদস্যাৰ পদত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সাধাৰণ শ্ৰেণীৰ আমানতৰ ধন ১০০ টকা। অনুসূচিত জাতি / জনজাতিৰ ৫০ টকা।
- **প্ৰাৰ্থীৰ মনোনয়ন নাকচ হ'লে, পত্ৰ প্ৰত্যাহাৰ কৰিলে, মৃত্যু হ'লে এই ধন ঘূৰাই পাব।**

## নিৰ্বাচনী প্ৰতীক কি ? কোনে দিয়ে ?

- কোনো নিৰ্দিষ্ট ৰাজনৈতিক দলৰ দলীয় প্ৰতীক প্ৰতিনিধিত্ব কৰা প্ৰাৰ্থীৰ বাবে সংৰক্ষিত থাকিব।
- নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত দিয়া তালিকাত নিজৰ পচন্দৰ প্ৰতীক প্ৰথম, দ্বিতীয় বা তৃতীয় পচন্দৰ প্ৰতীকৰ ঘোষণা মনোনয়ন পত্ৰত অন্তৰ্ভূক্ত হ'ব লাগিব। ইয়াৰ পিছত জিলা উপায়ুক্ত বা মহকুমাধিপতিয়ে প্ৰাৰ্থী গৰাকীৰ অগ্ৰাধীকাৰ ভিত্তিত প্ৰতীক আৱণ্টন কৰিব।

## এজেণ্ট কি ? মহিলাই এজেণ্ট হ'ব পাৰেনে ?

- নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীয়ে তলত দিয়া ধৰণৰ এজেণ্ট সমূহ নিযুক্ত কৰিব পাৰে—
  - ক) নিৰ্বাচনী এজেণ্ট
  - খ) পোলিং এজেণ্ট
  - গ) গণনাকাৰী এজেণ্ট।
- নিৰ্বাচনী এজেণ্টে মনোনয়ন পত্ৰ দাখিলৰ সময়ত উপস্থিত থাকিব পাৰে, প্ৰাৰ্থীৰ হৈ মনোনয়ন পত্ৰ দাখিল কৰিব পাৰে, পোলিং এজেণ্ট, কাউণ্টিং এজেণ্ট নিযুক্তি কৰিব পাৰে।
- ভোট গ্ৰহণ কেন্দ্ৰত উপস্থিত থাকি পোলিং এজেণ্টে অন্য ব্যক্তিৰ নামত ভোট দিবলৈ অহা ব্যক্তিক চিনাক্ত কৰিব পাৰে, বেলট বাকচৰ চীল পৰীক্ষা কৰা, ভোট গ্ৰহণৰ কাগজ পত্ৰ আদি নিৰীক্ষণ কৰিব পাৰে।
- গণনাকাৰী এজেণ্টে ভোট গণনাৰ নিৰ্দিষ্ট দিনটোত ভোট গণনাৰ বিভিন্ন কাৰ্যত অংশ গ্ৰহণ কৰে।
- নিৰ্বাচনী এজেণ্ট, পোলিং এজেণ্ট, কাউণ্টিং এজেণ্ট পুৰুষ মহিলা উভয়ে হ'ব পাৰে, ইয়াত কোনো বাধা নাই।

## গাওঁসভা কি আৰু ইয়াক কেনেদৰে গঠন কৰা হয় ?

⇨ গাঁওসভা হৈছে পঞ্চায়তীৰাজ ব্যৱস্থাৰ একেবাৰে নিম্নত থকা অনুষ্ঠান। ভাৰতীয় সংবিধানৰ ২৪৩ (ক) অনুচ্ছেদত গাঁওসভাৰ বিষয়ে উল্লেখ কৰা হৈছে।

- ⇨ গাঁও পঞ্চায়ত এখনৰ অন্তৰ্ভুক্ত এলেকাৰ ভোটাৰ তালিকাত নাম থকা লোকসকলক লৈ এখন গাঁওসভা গঠিত হয়।

**গাঁওসভাৰ বৈঠক বা সভা কিমানবাৰ অনুষ্ঠিত কৰিব লাগে?**

- ⇨ গাঁওসভা বৈঠক বা সভা তিনিমাহ সময়ৰ ব্যৱধানত অনুষ্ঠিত হ'ব লাগে। অৰ্থাৎ বছৰত চাৰিবাৰ গাঁওসভাৰ সভা অনুষ্ঠিত কৰিব লাগে।

**গাঁওসভাৰ সভা কোনে আহ্বান কৰিব লাগে?**

- ⇨ গাঁও পঞ্চায়তৰ সভাপতি বা সভানেত্ৰীৰ অনুমোদন সাপেক্ষে সংশ্লিষ্ট খণ্ড উন্নয়ন বিষয়াৰ লগত আলোচনা কৰি গাঁও পঞ্চায়তৰ সচিবে ১৫ দিনৰ আগতে ৰাজহুৱা প্ৰচাৰৰ জৰিয়তে গাঁওসভাৰ বৈঠক আহ্বান কৰিব লাগে।
- ⇨ আঞ্চলিক পঞ্চায়তে গ্ৰামোন্নয়ন কাৰ্যসূচীৰ অধীনত হিতাধিকাৰী বাছনি কৰাৰ বাবে গাঁওসভাৰ সভা অনুষ্ঠিত কৰাৰ নিৰ্দেশ দিলে গাঁও পঞ্চায়তৰ সচিবে ২০ দিনৰ ভিতৰত গাঁওসভা অনুষ্ঠিত কৰিব লাগে।

**গাঁওসভাৰ সভাত কোনে সভাপতিত্ব কৰে?**

- ⇨ গাঁও পঞ্চায়তৰ সভাপতিয়ে। সভাপতি অনুপস্থিত থাকিলে উপসভাপতিয়ে অথবা গাঁওসভাৰ বৈঠকৰ উপস্থিত থকা সদস্যসকলৰ গৰিষ্ঠ সংখ্যকে বাছনি কৰা যিকোনো ব্যক্তিয়ে।

**গাঁওসভাৰ কাৰ্য কি কি?**

- ⇨ বিগত বছৰৰ গাঁও পঞ্চায়তৰ উন্নয়নমূলক কাৰ্যসূচী আৰু চলিত বছৰত সম্পাদন কৰিব খোজা উন্নয়নমূলক কাৰ্যসূচীৰ প্ৰতিবেদন পৰীক্ষা কৰা।
- ⇨ সমূহীয়া কল্যাণমূলক কামৰ বাবে স্বেচ্ছামূলক শ্ৰম আৰু অৱদান একত্ৰিত কৰা।
- ⇨ উন্নয়নমূলক আঁচনিসমূহ ৰূপায়নৰ বাবে হিতাধিকাৰীসকলক চিনাক্ত কৰা।

**গাঁও পঞ্চায়তৰ সভানেত্ৰী/সভাপতিৰ ক্ষমতা আৰু কাৰ্য কি কি?**

- ⇨ সভাপতিয়ে গাঁওসভাৰ বৈঠক বা সভা সময়মতে অনুষ্ঠিত কৰিব লাগে।
- ⇨ গাঁও পঞ্চায়তৰ সভা আহ্বান কৰিব লাগে আৰু ইয়াৰ সভাপতিত্ব কৰিব লাগে।

⇨ গাঁও পঞ্চায়তৰ তথ্য-পাতি (অভিলেখ) বা নথি-পত্ৰ সংৰক্ষণ কৰি ৰাখিব লাগে।

⇨ গাঁও পঞ্চায়তৰ বিত্তীয় আৰু কাৰ্যবাহী প্ৰশাসন পৰিচালনা কৰা।

⇨ গাঁও পঞ্চায়তৰ কৰ্মচাৰীসকলৰ লগতে গাঁও পঞ্চায়তৰ কামৰ বাবে নিযুক্ত কৰা আন কোনো কৰ্তৃপক্ষৰ অধীনৰ কৰ্মচাৰীসকলৰ কাম-কাজৰ ওপৰত তদাৰকী আৰু নিয়ন্ত্ৰণ সাব্যস্ত কৰা।

**গাঁও পঞ্চায়তৰ উপ-সভাপতিৰ কি ক্ষমতা আছে?**

⇨ উপ-সভাপতিয়ে সময়ে সময়ে হস্তান্তৰ কৰা ক্ষমতা, কাৰ্যাৱলী আৰু কৰ্তব্য অনুসাৰে ক্ষমতা প্ৰয়োগ অথবা কাৰ্য্য তথা কৰ্তব্য সম্পাদনা কৰিব লাগে।

**গাঁও পঞ্চায়তৰ ক্ষমতা আৰু কাৰ্য কি কি?**

১। সাধাৰণ কাৰ্য (বাজেট প্ৰস্তুত, সাহায্য বিতৰণ ইত্যাদি)।

২। কৃষি আৰু কৃষিৰ সম্প্ৰসাৰণ কৰা।

৩। পশুপালন, দুগ্ধ উন্নয়ন আৰু হাঁহ, কুকুৰা পালনৰ ব্যৱস্থা কৰা।

৪। মীন মহল উন্নয়ন আৰু খনন কৰা।

৫। সামাজিক বনানিকৰণ আৰু পাম বনানিকৰণ/খৰি আৰু জন্তুৰ খাদ্যৰ ব্যৱস্থা কৰা।

৬। খাদ্য, গ্ৰাম্য আৰু কুটীৰ উদ্যোগৰ উন্নয়ন কৰা।

৭। গ্ৰাম্য আৱাস নিৰ্মাণ কৰা।

৮। খোৱা পানীৰ ব্যৱস্থা কৰা।

৯। পথ, কালভাৰ্ট, দলং, ফেৰিসেৱা, জলপথ আৰু অন্য যোগাযোগৰ ব্যৱস্থা কৰা।

১০। গ্ৰাম্য বৈদ্যুতিকৰণৰ ব্যৱস্থা কৰা।

১১। অ-পৰম্পৰাগত শক্তি উৎস নিৰ্ণয় কৰা।

১২। দাৰিদ্ৰতা নিৰ্মূলকৰণ কাৰ্যসূচী গ্ৰহণ কৰা।

১৩। শিক্ষা— প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ বাবে জনসচেতনতা বৃদ্ধি কৰা আৰু ব্যৱস্থা কৰা।

১৪। প্ৰাপ্তবয়স্ক লোকৰ সাক্ষৰতা বৃদ্ধি কৰা।

১৫। গাঁৱলীয়া পুথিভঁৰাল ব্যৱস্থাৰ সংগঠন আৰু অধ্যয়ন কক্ষৰ ব্যৱস্থা কৰা।

১৬। সামাজিক আৰু সাংস্কৃতিক কাম-কাজক উৎসাহিত কৰা।

১৭। গ্ৰাম্য বজাৰ স্থাপন আৰু উন্নয়ন কৰা।

১৮। গ্ৰাম্য পৰিচ্ছন্নতাৰ আঁচনি গ্ৰহণ কৰা।

১৯। জন-স্বাস্থ্য আৰু পৰিয়াল কল্যাণৰ আঁচনি গ্ৰহণ কৰা আৰু ৰূপায়ন কৰা।

২০। মহিলা আৰু শিশু কল্যাণৰ আঁচনি গ্ৰহণ ও ৰূপায়ন কৰা।

২১। সমাজ কল্যাণৰ আঁচনি গ্ৰহণ কৰা ও ৰূপায়ন কৰা।

২২। অনুসূচিত জাতি আৰু জনজাতিকে ধৰি সমাজৰ দুৰ্বল শ্ৰেণীসমূহৰ কল্যাণ সাধন কৰা।

২৩। গোহালি, খোৱাৰ নিৰ্মাণ কৰা।

২৪। ৰাজহুৱা খেলপথাৰ, উদ্যান নিৰ্মাণ আৰু পৰিচালনা কৰা ইত্যাদি।

## গাঁও পঞ্চায়তৰ পুঁজি কেনেকৈ গঠন হয়?

⇨ গাঁও পঞ্চায়তৰ পুঁজি সহায়ক বৰঙণি বা অনুদান, ঋণ আৰু গাঁও পঞ্চায়তে সংগ্ৰহ কৰা কৰ, মাচুল আদিক লৈ গঠিত হয়।

⇨ কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত বা আন কোনো স্থানীয় কৰ্তৃপক্ষৰ পৰা লাভ কৰা বৰঙণি বা অনুদানৰ জৰিয়তে।

⇨ কেন্দ্ৰ চৰকাৰ বা ৰাজ্য চৰকাৰৰ পৰা লাভ কৰা ঋণৰ জৰিয়তে।

⇨ গাঁও পঞ্চায়তে সংগ্ৰহ কৰা কৰ, মাচুল, দান-বৰঙণি, জৰিমণা আৰু দণ্ডৰ পৰা লাভ কৰা ধনৰ জৰিয়তে গাঁও পঞ্চায়তৰ পুঁজি গঠন হয়।

## গাঁও পঞ্চায়তে ক'ত ক'ত কৰ, মাচুল আদি আৰোপ কৰিব পাৰে?

১। হাট বজাৰ, পাৰঘাট আৰু মীন মহলৰ বছৰেকীয়া পট্টন বন্দোবস্তীৰ বাবে আঞ্চলিক পঞ্চায়তৰ পৰা পাবলগীয়া ধনৰ অংশ।

২। গাঁও পঞ্চায়তৰ নিজৰ দ্বাৰা পৰিচালিত মীন মহল, পশুখোৱাৰ, ছাই-জাবৰ, ভেৰ-ভেবৰ জুৰামাটি, জাবৰ-ভোবৰ আদিৰ বাবে পাবলগীয়া বিক্ৰীমূল্য বা বছৰেকীয়া পট্টনৰ ধন।

৩। ব্যৱসায়ৰ বাহিৰে আন উদ্দেশ্যত ব্যৱহাৰ কৰা ইটা বা পকীঘৰ অথবা তেনে গাঁথনিৰ ওপৰত।

৪। ব্যৱসায়ৰ উদ্দেশ্যত ব্যৱহাৰ কৰা ইটা বা পকীঘৰ অথবা তেনে গাঁথনিৰ ওপৰত।

৫। সংৰক্ষণৰ উদ্দেশ্যত বা গুদাম হিচাপে ব্যৱহাৰ কৰা ইটা বা পকীঘৰ অথবা তেনে গাঁথনিৰ ওপৰত।

৬। গাঁও পঞ্চায়তৰ নিজ এলেকাৰ ভিতৰত কোনো ব্যক্তিয়ে পৰিচালনা কৰা বা মালিকী স্বত্বত ৰখা ব্যৱসায় বা বৃত্তিৰ ওপৰত।

৫। কোনো মনোৰঞ্জক অনুষ্ঠানৰ প্ৰৱেশ মূল্যৰ ওপৰত আৰোপ কৰা অতিৰিক্ত কৰ।

৬। খোৱা পানী আৰু জলসিঞ্চনৰ কাৰণে বা আন কোনো উদ্দেশ্যত গাঁও পঞ্চায়তে পানী যোগান ধৰাৰ ব্যৱস্থা কৰিলে তাৰ ওপৰত জল কৰ।

৭। ৰাজহুৱা পথ আৰু স্থানত গাঁও পঞ্চায়তে পোহৰ যোগানৰ ব্যৱস্থা কৰিলে তাৰ ওপৰত পোহৰ কৰ।

৮। নিজ এলেকাৰ ভিতৰত গাঁও পঞ্চায়তে ব্যক্তিগত পাইখানা বা প্ৰস্ৰাৱ ঘৰ চাফাইৰ ব্যৱস্থা কৰিলে তাৰ ওপৰত চাফাই কৰ।

৯। খৰি আৰু ঘৰ চোৱা খেৰৰ বিক্ৰীৰ ওপৰত কৰ।

১০। কচাইখানাৰ ওপৰত কৰ।

১১। ব্যক্তিগত বজাৰ আৰু মীনমহলৰ ওপৰত কৰ।

১২। দোকান, ঔষধৰ দোকান (ফাৰ্মাচী), দৰ্জীৰ দোকান, চেলুন, বাঁহ বা কাঠৰ আচ-বাবৰ, দোকান, গাড়ী-মটৰ মেৰামতিৰ দোকান, টি. ভি., ভি. চি. ডি. আৰু ৰেডিঅ'ৰ মেৰামতি কৰা দোকানৰ ওপৰত কৰ।

১৩। একেৰাহে দুই বছৰ খেতি নকৰি পেলাই থোৱা কৃষিৰ উপযোগী মাটিৰ ওপৰত কৰ।

১৪। স্থানীয় এলেকাৰ ভিতৰত বেচা-কিনা হোৱা গৰু-ম'হৰ পঞ্জীয়নৰ ওপৰত উপ কৰ।

১৫। চাহৰ দোকান, হোটেল, ৰন্ধা মাছ-মাংস বা মিঠাইৰ দোকান ৰেণ্টুৰেণ্ট আদি চলাবলৈ অনুজ্ঞা পত্ৰৰ বাবদ মাচুল।

১৬। যিকোনো ধৰণৰ গৰু-গাড়ী, বাহন, দু-চকীয়া বাহন, নাও আৰু ৰিক্সাৰ ওপৰত মাচুল।

**গাঁও পঞ্চায়তৰ বাজেট আৰু হিচাপ পৰীক্ষাৰ বিষয় কেনেধৰণৰ?**

⇨ গাঁও পঞ্চায়তে প্ৰতি বছৰে বাজেট প্ৰস্তুত কৰিব লাগে আৰু আঞ্চলিক পঞ্চায়তৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰিব লাগে।

⇨ গাঁও পঞ্চায়তে আয় আৰু ব্যয়ৰ সঠিক হিচাপ ৰাখিব লাগে। এনেদৰে হিচাপ ৰখাৰ দায়িত্ব সচিব গৰাকীৰ।

⇨ ৰাজ্য চৰকাৰে নিৰ্দিষ্ট কৰি দিয়া কৰ্তৃপক্ষৰ দ্বাৰা গাঁও পঞ্চায়তৰ আয়-ব্যয়ৰ হিচাপ পৰীক্ষা কৰা হয়।

**গাঁও পঞ্চায়তৰ কৰ্মচাৰী কোন কোন আৰু তেওঁলোক কাৰ নিয়ন্ত্ৰণত থাকে?**

⇨ গাঁও পঞ্চায়তৰ কাম-কাজ চলাবলৈ এগৰাকী সচিব, এজন কৰ সংগ্ৰাহক তথা আলিমহৰী আৰু এজন পিয়ন থাকিব। এওঁলোক হ'ল গাঁও পঞ্চায়তৰ কৰ্মচাৰী।

⇨ গাঁও পঞ্চায়তৰ সচিব গৰাকী ইয়াৰ কাৰ্যালয়ৰ দায়িত্বত থাকিব আৰু নিয়ম অনুসাৰে কাৰ্য্য পৰিচালনা কৰিব।

⇨ সচিব গৰাকী সভাপতিৰ জৰিয়তে গাঁও পঞ্চায়তৰ ওচৰত দায়বদ্ধ হ'ব আৰু সভাপতিৰ অনুশাসন আৰু নিয়ন্ত্ৰণৰ ভিতৰত থাকিব।

**আঞ্চলিক পঞ্চায়ত কি আৰু কেনেদৰে গঠিত হয়?**

⇨ আঞ্চলিক পঞ্চায়ত হৈছে পঞ্চায়তীৰাজ ব্যৱস্থাৰ মধ্যৱৰ্ত্তী স্তৰ।

⇨ প্ৰতিটো উন্নয়ন খণ্ডৰ বাবে একোখন আঞ্চলিক পঞ্চায়ত থাকে।

⇨ প্ৰতিখন আঞ্চলিক পঞ্চায়ত সেই আঞ্চলিক পঞ্চায়তৰ নাম অনুসৰি একোটা আইনসংগত নিকায়।

⇨ আঞ্চলিক পঞ্চায়তৰ ভোটাৰসকলে একোখন গাঁও পঞ্চায়ত এলেকাৰ পৰা নিৰ্বাচিত কৰা কাউন্সিলাৰ সকল, আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত গাঁও পঞ্চায়তসমূহৰ সভাপতি বা সভানেত্ৰীসকল, আঞ্চলিক পঞ্চায়তখনক আংশিকভাৱে বা সম্পূৰ্ণৰূপে প্ৰতিনিধিত্ব কৰা লোকসভা আৰু বিধানসভাৰ সদস্যসকলক লৈ গঠিত হয়।

**আঞ্চলিক পঞ্চায়তৰ সভাপতি কেনেদৰে নিৰ্বাচিত হয়?**

⇨ আঞ্চলিক পঞ্চায়তৰ প্ৰথম সভাত আঞ্চলিক পঞ্চায়তলৈ

পোনপটীয়াভাৱে নিৰ্বাচিত সদস্যসকলৰ দ্বাৰা তেওঁলোকৰ মাজৰ পৰা এগৰাকী সভাপতি আৰু এগৰাকী উপ-সভাপতি নিৰ্বাচিত কৰে।

**আঞ্চলিক পঞ্চায়তৰ সভাপতিৰ কি কি ক্ষমতা আৰু কাৰ্য আছে?**

⇨ আঞ্চলিক পঞ্চায়তৰ বৈঠক আহ্বান কৰা আৰু উক্ত বৈঠক সমূহত সভাপতিত্ব কৰা।

⇨ পঞ্চায়ত আইন আৰু বিধি অনুসাৰে তেওঁৰ ওপৰত অৰ্পণ কৰা কৰ্তব্যসমূহ পালন কৰা তথা ক্ষমতা সমূহ প্ৰয়োগ কৰা।

⇨ আঞ্চলিক পঞ্চায়ত আৰু ইয়াৰ স্থায়ী সমিতি সমূহে লোৱা সিদ্ধান্ত কাৰ্যকৰী কৰাৰ বাবে কাৰ্যবাহী বিষয়াগৰাকীয়ে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ ক্ষেত্ৰত আইন অনুযায়ী তদাৰক কৰা।

⇨ আঞ্চলিক পঞ্চায়তৰ বিত্তীয় আৰু কাৰ্যবাহী প্ৰশাসন সম্পৰ্কীয় কাম-কাজৰ ওপৰত সামগ্ৰীকভাৱে চোৱাচিতা কৰা।

⇨ আঞ্চলিক পঞ্চায়তৰ আদেশৰ প্ৰয়োজন বুলি ভবা বিষয় সমূহ আঞ্চলিক পঞ্চায়তৰ ওপৰত উপস্থাপন কৰা আৰু এই উদ্দেশ্যে আঞ্চলিক পঞ্চায়তৰ নথি-পত্ৰসমূহ বিচৰা।

**আঞ্চলিক পঞ্চায়তৰ উপ-সভাপতিৰ কি ক্ষমতা আৰু কাৰ্য আছে?**

⇨ সভাপতিৰ অনুপস্থিতিত আঞ্চলিক পঞ্চায়তৰ বৈঠকসমূহত সভাপতিত্ব কৰা।

⇨ সভাপতিয়ে আইন অনুযায়ী লিখিতভাৱে হস্তান্তৰ কৰা ক্ষমতা, কাৰ্যাৱলী আৰু কৰ্তব্যসমূহ সম্পাদন কৰা।

⇨ সভাপতিৰ পদবী যিকোনো কাৰণত খালি হ'লে সভাপতিৰ দায়িত্ব গ্ৰহণ কৰা।

**আঞ্চলিক পঞ্চায়তৰ সভা অনুষ্ঠিত কৰাৰ নিয়ম কি?**

⇨ আঞ্চলিক পঞ্চায়তৰ সভা দুমাহৰ ভিতৰত কমেও এখন আঞ্চলিক পঞ্চায়তৰ কাৰ্যালয়ত অনুষ্ঠিত কৰিব লাগে।

⇨ আঞ্চলিক পঞ্চায়তৰ মুঠ সদস্যৰ এক তৃতীয়াংশই লিখিতভাৱে অনুৰোধ জনালে সভাপতিয়ে ১৫ দিনৰ ভিতৰত ইয়াৰ বিশেষ সভা আহ্বান কৰিব

পাৰে।

⇨ আঞ্চলিক পঞ্চায়তৰ সভা অনুষ্ঠিত কৰিবৰ বাবে থুল বা কোৰাম হৈছে মুঠ সদস্যৰ এক তৃতীয়াংশৰ উপস্থিতি।

⇨ আঞ্চলিক পঞ্চায়তৰ সভাৰ বিৱৰণী আৰু সিদ্ধান্তসমূহ লগে লগে লিপিবদ্ধ হ'ব লাগে আৰু সভাৰ সভাপতিয়ে তাক পাঠ কৰি শুনাব লাগে আৰু চহী কৰিব লাগে।

⇨ আঞ্চলিক পঞ্চায়তে গ্ৰহণ কৰা সিদ্ধান্তসমূহ কাৰ্যকৰী কৰাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাসমূহ সামৰি প্ৰতিবেদন তৈয়াৰ কৰি পৰৱৰ্ত্তী সভাত দাঙি ধৰিব লাগে।

⇨ আঞ্চলিক পঞ্চায়তৰ সভাৰ কাৰ্যবিৱৰণীৰ বহীটো কাৰ্যবাহী বিষয়াজনৰ দায়িত্বত থাকিব লাগে আৰু ইয়াক আঞ্চলিক পঞ্চায়তৰ বাহিৰলৈ নিব নোৱাৰিব।

⇨ কোনো চৰকাৰী বিষয়াৰ উপস্থিতি আঞ্চলিক পঞ্চায়তে ইয়াৰ সভাত বিচাৰিলে কাৰ্যবাহী বিষয়াজনে তেনে বিষয়াক অথবা তেওঁৰ সহকাৰী বিষয়াক উপস্থিত কৰোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

## আঞ্চলিক পঞ্চায়তৰ ক্ষমতা আৰু কাৰ্য্য কি কি ?

১। বছৰেকীয়া পৰিকল্পনা প্ৰস্তুত কৰা আৰু জিলা পৰিষদলৈ প্ৰেৰণ কৰা।

২। আঞ্চলিক পঞ্চায়ত এলেকাৰ অন্তৰ্গত গাঁও পঞ্চায়তবোৰৰ বছৰেকীয়া পৰিকল্পনাবোৰ বিবেচনা কৰা, একত্ৰিত কৰা আৰু একত্ৰিত পৰিকল্পনা জিলা পৰিষদলৈ প্ৰেৰণ কৰা।

৩। নিজৰ বছৰেকীয়া বাজেট প্ৰস্তুত কৰা আৰু জিলা পৰিষদৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰা।

৪। চৰকাৰ নাইবা জিলা পৰিষদে ইয়াৰ ওপৰত ব্যস্ত কৰা কাৰ্যসম্পন্ন কৰা আৰু প্ৰাকৃতিক দুৰ্যোগৰ সময়ত সাহৰ্য্য বিতৰণ কাৰ্যত চৰকাৰক সহায় কৰা।

৫। কৃষি আৰু কৃষি সম্প্ৰসাৰণ কৰা।

৬। ভূমি উন্নয়ন আৰু ভূমি সংৰক্ষণ কৰা।

৭। ক্ষুদ্ৰ জলসিঞ্চন, জল পৰিচালনা আৰু জল বিভাগ উন্নয়ন কৰা।

৮। দাৰিদ্ৰতা দূৰীকৰণ কাৰ্যসূচীৰ ব্যৱস্থা কৰা

৯। পশুপালন, দুগ্ধশালা আৰু হাঁহ কুকুৰা পালনৰ ব্যৱস্থা কৰা।

১০। মীন পালন কৰা।

১১। খাদী, গ্ৰাম্য আৰু কুটীৰ উদ্যোগ উন্নয়ন কৰা।

১২। গ্ৰাম্য আৱাসৰ ব্যৱস্থা কৰা।

১৩। খোৱা পানীৰ ব্যৱস্থা কৰা।

১৪। সামাজিক আৰু পাম বনানি, ক্ষুদ্ৰ হাবিজাত বস্তু উৎপাদন, খৰি আৰু পশু খাদ্যৰ ব্যৱস্থা কৰা।

১৫। ৰাস্তা-ঘাট নিৰ্মাণ, দলং, ফেৰি, জলপথ আৰু অন্যান্য যোগাযোগৰ ব্যৱস্থা কৰা।

১৬। অ-পৰম্পৰাগত শক্তি উৎসৰ ব্যৱস্থা কৰা।

১৭। প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ উন্নয়ন সাধন কৰা।

১৮। কাৰিকৰী প্ৰশিক্ষণ আৰু বৃত্তিমুখী শিক্ষাৰ ব্যৱস্থা কৰা।

১৯। প্ৰাপ্তবয়স্ক স্বাক্ষৰতা কাৰ্যসূচী ৰূপায়ন কৰা।

২০। সামাজিক আৰু সাংস্কৃতিক কাৰ্যকলাপৰ উন্নতি সাধন কৰা।

২১। হাট-বজাৰ আৰু উৎসৱ পাৰ্বন নিয়মাধীন কৰা।

২২। স্বাস্থ্য আৰু পৰিয়াল কল্যাণৰ আঁচনি গ্ৰহণ কৰা।

২৩। মহিলা আৰু শিশুৰ বিকাশ সাধন কৰাৰ বাবে আঁচনি কৰা।

২৪। ৰাজহুৱা বিতৰণৰ উন্নয়ন সাধন কৰা ইত্যাদি।

## আঞ্চলিক পঞ্চায়তৰ পুঁজি কেনেকৈ গঠন হয়?

⇨ কেন্দ্ৰ চৰকাৰ, ৰাজ্য চৰকাৰ বা জিলা পৰিষদৰ পৰা পোৱা দান আৰু বৰঙণি আৰু ৰাজ্য চৰকাৰৰ পৰা লাভ কৰা ৰাজহৰ অংশ।

⇨ কেন্দ্ৰ বা ৰাজ্য চৰকাৰৰ পৰা লাভ কৰা ঋণ।

⇨ আঞ্চলিক পঞ্চায়তে আৰোপ কৰা কৰ, মাচুল আদিৰ পৰা পোৱা ধন।

⇨ আঞ্চলিক পঞ্চায়তে সজোৱা বা ইয়াৰ ওপৰত ন্যাস্ত কৰা বিদ্যালয়, চিকিৎসালয়, স্বাস্থ্যকেন্দ্ৰ, অট্টালিকা, অনুষ্ঠান-প্ৰতিষ্ঠান অথবা কাম-কাজৰ বাবদ লাভ কৰা সকলো প্ৰাপ্তি।

- ⇨ আঞ্চলিক পঞ্চায়তে দান-বৰঙণিৰ বাবদ লাভ কৰা ধন ৰাশি আৰু কোনো ন্যাস বা নিধিৰ পৰা অহা আয়।
- ⇨ জৰিমনা আৰু দণ্ড আদিৰ পৰা লাভ কৰা ধন।

**আঞ্চলিক পঞ্চায়তৰ ধন কোনে কেনেকৈ উলিয়াব পাৰে?**

- ⇨ আঞ্চলিক পঞ্চায়তৰ পুঁজিৰ ধন আঞ্চলিক পঞ্চায়তখনৰ নামত ন্যাস্ত থাকে আৰু আঞ্চলিক পঞ্চায়তে সময়ে সময়ে সাব্যস্ত কৰা সাধাৰণ নিয়ন্ত্ৰণ সাপেক্ষে আঞ্চলিক পঞ্চায়তৰ কাৰ্যবাহী বিষয়া গৰাকীয়ে ইয়াৰ পুঁজিৰ পৰা ধন আদায়ৰ বাবে দিয়া আদেশ পত্ৰ তথা চেকত স্বাক্ষৰ কৰিব লাগে।

**আঞ্চলিক পঞ্চায়তৰ কৰসমূহ—**

ক) আঞ্চলিক পঞ্চায়তৰ ওপৰত ন্যস্ত কেঁচা ৰাস্তাৰ বাহিৰে অন্য কোনো পথ বা কোনো দলঙৰ ওপৰত স্থাপন কৰা পথকৰ চকীত সেইবিলাকৰ ওপৰেদি পাৰ হৈ যোৱা মানুহ, যান-বাহন বা জীৱ-জন্তুৰ ওপৰত কৰ লগাব পাৰে।

খ) আঞ্চলিক পঞ্চায়তে স্থাপন তথা পৰিচালনা কৰা ফেৰীঘাটৰ ওপৰত মাচুল লগাব পাৰে।

গ) ভূমি ৰাজহৰ ওপৰত প্ৰতি টকাত দুই পইচা নিৰিখত অতিৰিক্ত কৰ লগাব পাৰে।

ঘ) আঞ্চলিক পঞ্চায়তৰ প্ৰশাসনিক এলেকাৰ ভিতৰত নিৰ্মাণ কৰা ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্পৰ ব্যয় ঘূৰাই পোৱাৰ বাবে এনে কামবোৰৰ ৰক্ষণাবেক্ষণৰ স্বাৰ্থত মাচুল অথবা জলকৰ লগাব পাৰে।

ঙ) পানী আৰু পোহৰ যোগানৰ বাবে কৰ লগাব পাৰে।

চ) সম্প্ৰতি প্ৰচলিত কোনো আইনৰ অধীনত কৰ আৰোপ নকৰা বৃত্তি, ব্যৱসায়, জীৱিকা, নিৰ্মাণ আৰু উৎপাদন আদিৰ ওপৰত মাচুল লগাব পাৰে।

ছ) চিনেমা হল, ইটাৰ ভাটা, খাপৰিৰ ভাটা, কাঠ ফলা কল, কাঠৰ গোলা, ধান বনা কল, হলাৰ মিল, মিঠাইৰ দোকান আৰু বিস্কুটৰ কাৰখানা আৰু ব্যৱসায়িক ভিত্তিৰ ব্যক্তিগত মীনমহলৰ বা শাক-পাচলিৰ বাগিচাৰ ওপৰত কৰ লগাব পাৰে।

**আঞ্চলিক পঞ্চায়তে বাজেট প্ৰস্তুত কৰিব লাগেনে?**

⇨ আঞ্চলিক পঞ্চায়তে আয়-ব্যয়ৰ হিচাপ সামৰি প্ৰতিবছৰে বাজেট প্ৰস্তুত কৰিব লাগে আৰু জিলা পৰিষদক অনুমোদনৰ বাবে দাখিল কৰিব লাগে।

**আঞ্চলিক পঞ্চায়তৰ হিচাপ কোনে ৰাখিব লাগে?**

⇨ আঞ্চলিক পঞ্চায়তৰ কাৰ্যবাহী বিষয়া গৰাকীয়ে পঞ্চায়তৰ হিচাপ নিকাচ ৰাখিব লাগে।

**আঞ্চলিক পঞ্চায়তৰ হিচাপ কোনে পৰীক্ষা কৰে?**

⇨ ৰাজ্য চৰকাৰে নিৰ্দিষ্ট কৰি দিয়া কৰ্তৃপক্ষৰ দ্বাৰা আঞ্চলিক পঞ্চায়তৰ আয়-ব্যয়ৰ হিচাপ পৰীক্ষা কৰা হয়।

**আঞ্চলিক পঞ্চায়তৰ সচিব কোন?**

⇨ খণ্ড উন্নয়ন বিষয়া নাইবা চৰকাৰৰ দ্বাৰা নিযুক্ত আন কোনো বিষয়া এগৰাকীয়ে আঞ্চলিক পঞ্চায়তৰ কাৰ্যবাহী বিষয়া আৰু সচিবৰ পদ গ্ৰহণ কৰে।

**আঞ্চলিক পঞ্চায়তৰ আন কোন কোন কৰ্মচাৰী থাকে?**

⇨ আঞ্চলিক পঞ্চায়তত সচিবৰ উপৰিও উচ্চ বৰ্গৰ সহায়ক এজন, নিম্ন বৰ্গৰ সহায়ক দুজন, কৰ সংগ্ৰাহক দুজন, পিয়ন দুজন আৰু চকিদাৰ এজন থাকে।

**আঞ্চলিক পঞ্চায়তৰ কাৰ্যবাহী বিষয়াৰ ক্ষমতা আৰু কৰ্তব্য সমূহ কি কি?**

⇨ আঞ্চলিক পঞ্চায়তৰ সকলো বিষয়া আৰু কৰ্মচাৰীৰ মাজত কাম-কাজৰ বিতৰণ আৰু তাৰ তদাৰক কৰা।

⇨ আঞ্চলিক পঞ্চায়তৰ সকলো কাম-কাজ ৰূপায়নৰ সকলোবোৰ দিশ চোৱা-চিতা তথা নিয়ন্ত্ৰণ কৰা।

⇨ উন্নয়নমূলক আঁচনিসমূহৰ ক্ষীপ্ৰ ৰূপায়নৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা।

⇨ আঞ্চলিক পঞ্চায়তৰ বৈঠক সমূহৰ কাৰ্য্য বিৱৰণী তথা নথি পত্ৰসমূহ নিজৰ দায়িত্বত ৰখা।

- ⇨ আঞ্চলিক পঞ্চায়তৰ পুঁজিৰ পৰা ধন উঠোৱা তথা উক্ত ধন বিতৰণ কৰা।
- ⇨ তেওঁৰ ওপৰত ন্যস্ত কৰা আন দায়িত্ব সমূহ পালন কৰা।
- ⇨ কাৰ্যবাহী বিষয়াগৰাকীয়ে আঞ্চলিক পঞ্চায়তৰ বৈঠকৰ আলোচনা বিলাকত ভাগ ল'ব পাৰে যদিও ভোটদান কৰিব নোৱাৰে।

**আঁচনি সমূহ কোনে গ্ৰহণ কৰে আৰু ই কেনেদৰে কাৰ্যকৰী হয় ?**

- ⇨ গ্ৰাম্য উন্নয়নৰ বাবে থকা বেছি ভাগ আঁচনি আৰু আইন কেন্দ্ৰীয় চৰকাৰে প্ৰস্তুত কৰে আৰু ৰাজ্য চৰকাৰৰ সহযোগত পঞ্চায়ত সমূহৰ জৰিয়তে কাৰ্যকৰী কৰে। আঁচনি সমূহ ৰূপায়নৰ বাবে ধনৰ যোগান কেন্দ্ৰ চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ পৰাও ধৰা হয়। কেন্দ্ৰ চৰকাৰে এনে ক্ষেত্ৰত সৰহ সংখ্যক ধনৰ যোগান ধৰে।

**গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তে নিজাকৈ উন্নয়ন আঁচনি গ্ৰহণ কৰিব পাৰেনে ?**

- ⇨ জিলা পৰিকল্পনা সমিতিয়ে নিৰ্দ্ধাৰণ কৰি দিয়া তাৰিখ আৰু আৰ্হিমতে প্ৰতিখন গাঁও পঞ্চায়তে প্ৰতি বছৰে এখন উন্নয়ন আঁচনি যুগত কৰি আঞ্চলিক পঞ্চায়তৰ ওচৰত দাখিল কৰিব। সেইদৰে জিলা পৰিকল্পনা সমিতিয়ে নিৰ্দ্ধাৰণ কৰি দিয়া তাৰিখ আৰু আৰ্হিমতে গাঁও পঞ্চায়ত সমূহে প্ৰস্তুত কৰা আঁচনিসমূহ অন্তৰ্ভুক্ত কৰি প্ৰতিখন আঞ্চলিক পঞ্চায়তে প্ৰতি বছৰে এখন উন্নয়ন আঁচনি যুগুত কৰি জিলা পৰিষদৰ ওচৰত দাখিল কৰিব। অনুৰূপ ধৰণে জিলা পৰিকল্পনা সমিতিয়ে নিৰ্দ্ধাৰণ কৰি দিয়া তাৰিখ আৰু আৰ্হিমতে আঞ্চলিক পঞ্চায়তসমূহে প্ৰস্তুত কৰা আঁচনিসমূহ অন্তৰ্ভুক্ত কৰি প্ৰতিখন জিলা পৰিষদে প্ৰতি বছৰে এখন উন্নয়ন আঁচনি যুগত কৰি জিলা পৰিকল্পনা সমিতিৰ ওচৰত দাখিল কৰিব।

**একক সংখ্যাগৰিষ্ঠতা কি ?**

- ⇨ একক সংখ্যাগৰিষ্ঠতা হৈছে সংসদীয় শাসন ব্যৱস্থাত বা মন্ত্ৰী পৰিষদীয় ব্যৱস্থাত সংসদৰ যিটো সদনৰ পৰা চৰকাৰ গঠন কৰা হয় আৰু যাৰ ওচৰত চৰকাৰ দায়বদ্ধ হৈ থাকে সেই সদন বা বিধানমণ্ডলত কোনো ৰাজনৈতিক দল বা দলৰ সমষ্টিয়ে (মৰ্চাই) চৰকাৰ গঠন কৰিবলৈ লাভ

করিব লগা মুঠ আসনৰ আধাতকৈ বেছি বা ৫০% তকৈ বেছি আসন।

⇨ আমাৰ দেশত একক সংখ্যাগৰিষ্ঠতা মানে হৈছে লোকসভা বা ৰাজ্য বিধানসভা সমূহৰ মুঠ আসনৰ আধাতকৈ বেছি। লোকসভাৰ একক সংখ্যাগৰিষ্ঠতা হৈছে সাধাৰণতে ২৭৩ খন আসন। কাৰণ লোকসভাৰ মুঠ ৫৪৫ গৰাকী নিৰ্বাচিত সদস্য আছে। অসম বিধানসভাৰ একক সংখ্যগৰিষ্ঠতা হৈছে ৬৪ খন আসন। কাৰণ অসম বিধানসভাৰ মুঠ সদস্য সংখ্যা হৈছে ১২৬ জন।

⇨ আমাৰ দেশৰ নিয়ম অনুসৰি কেন্দ্ৰত লোকসভাৰ নিৰ্বাচনত একক সংখ্যাগৰিষ্ঠতা লাভ কৰা ৰাজনৈতিক দল বা মৰ্চাই আৰু ৰাজ্যত বিধানসভাসমূহত এক সংখ্যাগৰিষ্ঠতা লাভ কৰা কোনো ৰাজনৈতিক দল বা মৰ্চাই চৰকাৰ গঠন কৰে। চৰকাৰে সংখ্যাগৰিষ্ঠতা হেৰুৱালে চৰকাৰৰ পতন ঘটিব পাৰে।

⇨ পঞ্চায়তী ৰাজ অনুষ্ঠান সমূহ গঠন কৰাৰ ক্ষেত্ৰত একক সংখ্যা গৰিষ্ঠতাৰ ব্যৱস্থা অৰ্থাৎ সংসদীয় ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। কেন্দ্ৰ বা ৰাজ্যৰ দৰে পঞ্চায়তী ৰাজ অনুষ্ঠানসমূহত চৰকাৰ গঠন কৰা নহয়। গাঁও পঞ্চায়তত সভাপতি আৰু সদস্যসকলক জনসাধাৰণে প্ৰত্যক্ষ ভোট দানৰ জৰিয়তে আৰু আঞ্চলিক পঞ্চায়ত তথা জিলা পৰিষদৰ সদস্যসকলক জনসাধাৰণে প্ৰত্যক্ষ ভোট দানৰ জৰিয়তে নিৰ্বাচিত কৰে। আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ নিৰ্বাচিত সদস্যসকলে তেওঁলোকৰ মাজৰ পৰা প্ৰতিগৰাকীক নিৰ্বাচিত কৰে।

**গাঁও পঞ্চায়তৰ সভাপতি আৰু উপ-সভাপতিৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ কেনেদৰে গৃহীত কৰিব পাৰি?**

⇨ গাঁও পঞ্চায়তৰ মুঠ সদস্য সংখ্যাৰ দুই তৃতীয়াংশ সদস্যই কোনো গাঁও পঞ্চায়তৰ সভাপতি অথবা উপ-সভাপতিৰ ওপৰত অনাস্থা প্ৰকাশ কৰি উত্থাপন কৰা প্ৰস্তাৱ এটি গৃহীত হ'লে গাঁও পঞ্চায়তৰ সভাপতি বা উপ-সভাপতি গৰাকীক সেই পদৰ পৰা অপসাৰিত হোৱা বুলি গণ্য কৰা হয় আৰু তেনে অৱস্থাত তেওঁৰ কাৰ্যালয় বা পদবী ত্যাগ কৰিব লাগে।

⇨ গাঁও পঞ্চায়তৰ সভাপতি বা উপ-সভাপতিৰ বিৰুদ্ধে অনাস্থা প্ৰকাশ

করিবলৈ এখন বিশেষ সভা আহ্বান কৰি গাঁও পঞ্চায়তৰ মুঠ সদস্য সংখ্যাৰ কমেও এক তৃতীয়াংশ সদস্যই চহী কৰি এখন জাননী সেই গাঁও পঞ্চায়তৰ সভাপতি অথবা উপ-সভাপতিলৈ প্ৰেৰণ কৰিব লাগে আৰু জাননী সম্পৰ্কে জিলাৰ উপায়ুক্তক জনাব লাগে।

- ⇨ এনে ধৰণৰ অনাস্থা প্ৰস্তাৱৰ বাবে গাঁও পঞ্চায়তৰ সভাপতিৰ অনুমোদন ক্ৰমে গাঁও পঞ্চায়তৰ সচিবে এখন বিশেষ সভা আহ্বান কৰিব লাগে।
- ⇨ সভাপতিৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ উত্থাপিত হ'লে উপ-সভাপতিয়ে এনে বিশেষ সভাত সভাপতিত্ব কৰিব লাগে।
- ⇨ জাননী জাৰি কৰাৰ ১৫ দিনৰ ভিতৰত এনে সভা আহ্বান কৰা নহ'লে গাঁও পঞ্চায়তৰ সচিব গৰাকীয়ে আঞ্চলিক পঞ্চায়তৰ সভাপতি গৰাকীক এই বিষয়ে অৱগত কৰাব লাগে আৰু তেওঁ ৭ দিনৰ ভিতৰত সভা আহ্বান কৰি তাত নিজে সভাপতিত্ব কৰিব লাগে।
- ⇨ আঞ্চলিক পঞ্চায়তৰ সভাপতিয়েও কোনো ব্যৱস্থা নললে গাঁও পঞ্চায়তৰ সচিব গৰাকীয়ে এই বিষয়ে জিলাৰ উপায়ুক্ত বা মহকুমাধিপতিক অৱগত কৰাব লাগে। গাঁও পঞ্চায়তৰ সচিব গৰাকীৰ পৰা খবৰ পোৱাৰ সাত দিনৰ ভিতৰত জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তক খবৰ দি জিলাৰ উপায়ুক্ত অথবা মহকুমাৰধিপতিয়ে সভাখন আহ্বান কৰি উক্ত সভাত সভাপতিত্ব কৰিব লাগে। এই দুয়োজনৰ অনুপস্থিতিত কোনো প্ৰথম শ্ৰেণীৰ ৰাজপত্ৰিত বিষয়াই সভাপতিত্ব কৰিব লাগে।
- ⇨ যদি কোনো অনাস্থা প্ৰস্তাৱ অগ্ৰাহ্য হয়, তেনেহ'লে পৰৱৰ্তী ছমাহত তেনে অনাস্থা প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুমতি দিয়া নহয়।

—x—

# গ্ৰাম্য বিকাশ মঞ্চ

প্ৰতিখন গাৱতে এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ গঢ়া'ৰ লক্ষৰে ১৯৯৯ চনত জন্ম হোৱা 'গ্ৰাম্য বিকাশ মঞ্চ' এটি বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা। জন্ম লগ্নৰে পৰা গ্ৰাম্য বিকাশ মঞ্চ'ই সমাজৰ বঞ্চিতসকল বিশেষকৈ মহিলা সকলক আৰ্থসামাজিক সবলীকৰণৰ জৰিয়তে সমাজ পৰিবৰ্তনৰ দায়িত্ব লব পৰাকৈ উপযুক্ত কৰা আৰু তাৰ জৰিয়তে এনে এখন সমাজ সৃষ্টি কৰা য'ত তেওঁলোক মৰ্য্যদা সহ জীয়াই থাকিব পাৰে, তেনে উদ্দেশ্যৰে সেৱা আগবঢ়াই আছে। অনুষ্ঠানটোত প্ৰায় পাচ শতাধিক স্বেচ্ছাসেৱিকা স্বেচ্ছাসেৱকে বিভিন্ন উন্নয়নমুলক কাৰ্য্যত প্ৰত্যক্ষ ভাৱে জড়িত হৈ আছে। নলবাৰী, বাগসা, বৰপেটা আৰু কামৰূপ (গ্ৰামীন) জিলাৰ বিভিন্ন প্ৰান্তত অনুষ্ঠানটোৱে সেৱা আগবঢ়াই আছে। গ্ৰাম্য বিকাশ মঞ্চৰ মুখ্য কাৰ্য্যালয় ১ নং বৰধনৰা, পোঃ অঃ দক্ষিণগাঁও, পিন ঃ ৭৮১৩৫০, জিলা- নলবাৰী (অসম) ত অৱস্থিত।

Email :
gvm_ngo@sify.com

সম্পাদনা উপদেষ্টা ঃ
ধনেশ্বৰ বৈশ্য, জ্যেষ্ঠ প্ৰবক্তা,
ৰাজনীতি বিজ্ঞান বিভাগ,
বৰভাগ কলেজ, কালাগ, নলবাৰী।

সম্পাদনা ঃ
প্ৰদীপ মহন্ত, কাৰ্যসূচী প্ৰবন্ধক,
গ্ৰাম্য বিকাশ মঞ্চ, নলবাৰী (অসম)।

সহযোগী ঃ
গীতিকা কলিতা, শেৱালী ডেকা, সুভাষ দাস,
সীমা তালুকদাৰ।

বিশেষ পৰামৰ্শদাতা ঃ
পৃথ্বিভূষণ ডেকা, সভাপতি, গ্ৰাম্য বিকাশ মঞ্চ।

বিশেষ কৃতজ্ঞতা ঃ
দিবাকৰ ডেকা, কমলেশ্বৰ ভূঞা, প্ৰাঞ্জল চক্ৰৱৰ্তী,
অৰূপজ্যোতি দাস, জুৰী তালুকদাৰৰ লগতে
সমূহ স্বেচ্ছাসেৱক / স্বেচ্ছাসেৱীকা।
গ্ৰাম্য বিকাশ মঞ্চ।

আহক, মহিলা সবলীকৰণৰ
যাত্ৰাত একেলগে আগবাঢ়ো।

গ্ৰাম্য বিকাশ মঞ্চৰ 'ডেভলপ্‌মেণ্ট কমিউনিকেচন চেল'ৰ
দ্বাৰা 'দ্য হাঙ্গাৰ প্ৰজেক্ট'ৰ সহযোগত প্ৰকাশিত।